**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১।	অহা বছৰৰ ফেব্ৰুৱাৰীৰ শেষত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ সম্ভাৱনা সম্পৰ্কত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ ইংগিত।

২।	জলবায়ু আৰু প্ৰকৃতি সংৰক্ষণ বিষয়ত বাতৰি পৰিৱেশন কৰা সাংবাদিকক জুবিন গাৰ্গৰ সোঁৱৰণত ৰাষ্ট্ৰীয় বঁটা প্ৰদানৰ সিদ্ধান্ত।

৩।	বিটিচিৰ পাঁচখন জিলাৰ ২৫ হাজাৰ শিল্পীৰ বড়ো ভাষাত **মায়াবিনী** গীত পৰিৱেশন। এছিয়া বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত।

৪।	ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ চৰকাৰৰ নিয়ন্ত্ৰণতে থাকিব লাগিব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ নিৰ্দেশ। **আৰু**

৫।	ডোহাত অনুষ্ঠিত ৰাইজিং ষ্টাৰ্ছ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰতৰ এ-দলৰ প্ৰৱেশ।

০০০০০০

অহা বছৰৰ ফেব্ৰুৱাৰীৰ শেষত ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ সম্ভাৱনা আছে। কালি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। নিৰ্বাচন আয়োগে পৰহি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ বাবে পত্ৰ প্ৰেৰণ কৰাৰ পাছতে কালি শ্ৰী গোৱেলে সংবাদমেলত এই বিষয়ে উল্লেখ কৰি কয়, যে ভোটাৰৰ তথ্য ছপা কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া ২১ নৱেম্বৰলৈ চলিব। ২২ নৱেম্বৰৰ পৰা বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে মৃত্যু হোৱা কোনো লোকৰ নাম ভোটাৰ তালিকাৰ থাকিলে কৰ্তনৰ ব্যৱস্থা কৰিব। অসমৰ কোনো লোকৰ নাম বহিঃৰাজ্যৰ ভোটাৰ তালিকাত থাকিলে তেনে লোকৰ নাম অসমৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে কোনো লোকক ঘৰত নাপালে তিনিবাৰ পৰ্যন্ত গৈ পুনৰীক্ষণ সম্পূৰ্ণ কৰিব লাগিব। সকলো তথ্য বিশেষ এপত সংগ্ৰহ কৰা হ'ব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে কয়, যে এটা ভোটকেন্দ্ৰত এহেজাৰ ২০০তকৈ অধিক ভোটদাতা থাকিব নোৱাৰিব। সেই অনুসৰি অসমৰ জনসংখ্যাৰ হিচাপত ভোটকেন্দ্ৰৰ সংখ্যা এহেজাৰ ৮২৬ লৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই বিষয়ে জিলা পৰ্যায়ত আলোচনা চলি আছে। বিশেষ সংশোধনী তালিকাৰ খচৰা ২৭ ফেব্ৰুৱাৰীত প্ৰকাশ পাব আৰু ১০ ফেব্ৰুৱাৰীত চূড়ান্ত তালিকা প্ৰকাশ পাব। একেখন সংবাদমেলতে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, যে খচৰা ভোটাৰ তালিকা

প্ৰকাশৰ ১৫ দিনৰ ভিতৰত কোনো লোকৰ কিবা অভিযোগ থাকিলে সেই অভিযোগ জিলা আয়ুক্তক দিব পাৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত অভিযোগ নিষ্পত্তি নহ'লে সেই অভিযোগ মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব।

০০০০০০

জনগণৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত ছাউথ এছিয়া ক্লাইমেট চেঞ্জ জাৰ্নেলিষ্ট ফ'ৰামে অহা বছৰৰ পৰা জলবায়ু তথা প্ৰকৃতি সংৰক্ষণ সন্দৰ্ভত বাতৰি পৰিৱেশন কৰা এগৰাকীকৈ সাংবাদিকক ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰিব। কালি নতুন দিল্লীত এখন সংবাদমেলত সংগঠনটোৰ সভাপতি আশিষ গুপ্তাই এই বিষয়ে প্ৰকাশ কৰে। প্ৰতিবছৰে শিল্পীগৰাকীৰ ওপজা দিন ১৮ নৱেম্বৰত নিৰ্বাচিত সাংবাদিকগৰাকীক ১ লাখ টকা আৰু মানপত্ৰৰে সন্মানিত কৰা হ'ব। ইয়াৰ বাবে প্ৰতিবছৰে জুৰি ব'ৰ্ড গঠন কৰা হ'ব আৰু এই ব'ৰ্ডে বঁটাপ্ৰাপকজনক বাছনি কৰিব বুলি তেওঁ কয়।

**বাইট**

উল্লেখযোগ্য যে ছাউথ এছিয়া ক্লাইমেট চেঞ্জ জাৰ্নেলিষ্ট ফ'ৰাম হৈছে – দক্ষিণ-পূব এছিয়াত কৰ্মৰত সাংবাদিকসকলৰ এখন শক্তিশালী মঞ্চ। এই মঞ্চই দক্ষিণ-পূব এছিয়াৰ জলবায়ু সংক্ৰান্তীয় বিভিন্ন তথ্যৰ আধাৰত জনমত গঠনৰ বাবে কাম কৰি আহিছে আৰু চৰকাৰক জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে নীতি প্ৰণয়ন কৰিবলৈ হেঁচা প্ৰয়োগ কৰি আহিছে।

০০০০০০

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন  কালি ৰাজ্যৰ বিভিন্ন স্থানত পালন কৰা হয়। শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে গৌৰাং নৈৰ পাৰত কালি বিটিচিৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰে। ২৫ হাজাৰ শিল্পীৰ সমস্বৰৰ এই গীতটিয়ে এচিয়া বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভুক্ত হ'বলৈ সমৰ্থ হৈছে।

ইপিনে জুবিন গাৰ্গক আদৰ্শ হিচাপে লৈ সমাজৰ বাবে ইতিবাচক কাম কৰি যাবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যুৱ প্ৰজন্মৰ লগতে ৰাজ্যৰ জনসাধাৰণলৈ আহ্বান জনাইছে। কালি শিল্পীগৰাকীৰ ওপজা দিন উপলক্ষে গুৱাহাটীৰ খানাপাৰাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ১০ ডিচেম্বৰৰ ভিতৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযোগনামা দাখিল কৰা হ'ব। এই অভিযোগনামাত বিভিন্ন কথা পোহৰলৈ আহিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে একাংশ লোকে জুবিনক ব্যৱহাৰ কৰি সুবিধা অৰ্জনৰ বাবে সুৰাপান কৰোৱাইছিল।  ষড়যন্ত্ৰমূলকভাৱে সুৰাপান কৰোৱাই শিল্পীগৰাকীৰ ধন-সম্পত্তি লুণ্ঠনৰ চেষ্টা চলোৱা হৈছিল বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

বাইট

ইপিনে, কেন্দ্ৰীয় চৰকাৰে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ৫ গৰাকী অভিযুক্তৰ বিৰুদ্ধে আদালতত গোচৰ চলোৱাৰ বাবে প্ৰয়োজনীয় অনুমতি প্ৰদান কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ নম্বৰ ধাৰাৰ অধীনত এই গোচৰৰ প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ গৃহ মন্ত্ৰালয়ে প্ৰয়োজনীয় অনুমোদন প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ নম্বৰ ধাৰা অনুসৰি ভাৰতৰ বাহিৰত কোনো অপৰাধ সংঘটিত হ'লে কেন্দ্ৰীয়

চৰকাৰৰ অনুমোদন সাপেক্ষেহে আদালতে গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জুবিন গাৰ্গৰ জন্মদিনত এই অনুমোদন গুৰুত্বপূৰ্ণ আইনী পদক্ষেপৰূপে পৰিগণিত হৈছে আৰু ই তদন্তকাৰী গোটক অভিযোগনামা দাখিল কৰা তথা বিচাৰৰ বাবে দৃঢ়তাৰে আগবাঢ়ি যোৱাত সহায় কৰিব।

০০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীতেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩০০ শিল্পী আজি সন্ধিয়া গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত সমবেত হ'ব। বিয়লি ৫ বজাৰ পৰা হ'বলগীয়া এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ২০০ তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০ গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিবেশন কৰিব। দৰ্শকসকলে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০

ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ চৰকাৰৰ নিয়ন্ত্ৰণতে থাকিব লাগিব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে স্পষ্ট কৰি দিছে। অল আছাম ইংলিছ মিডিয়াম স্কুল এছ'চিয়েচনে এই সন্দৰ্ভত ন্যায়ালয়ত দাখিল কৰা এটা গোচৰ খাৰিজ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে শিশুৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা অসম বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠান (নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা) আইন ২০২৬ৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰিছে। এছ'চিয়েচনে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰি ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা অসম বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠান আইনখন অসাংবিধানিক হিচাপে আখ্যা দিছিল যদিও ন্যায়ালয়ে সংগঠনটোৰ এই দাবীক নস্যাৎ কৰিছে। অসম বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠান আইনৰ জৰিয়তে শিক্ষা বিভাগৰ সঞ্চালকক পূৰ্ণ পৰ্যায়ত ক্ষমতা দিয়াৰ বাবে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ স্বতন্ত্ৰতাত আঘাত হৈছে বুলি অল আছাম ইংলিছ মিডিয়াম স্কুল এছ'চিয়েচনৰ হৈ অধিবক্তাই ন্যায়ালয়ত যুক্তি প্ৰদৰ্শন কৰিছিল যদিও ন্যায়ালয়ে এই আইনখনত কোনো অযুক্তিকৰ বিষয় নাই বুলি কয়। ইয়াৰ বিপৰীতে ৰাজ্য আৰু দেশৰ বৰ্তমানৰ প্ৰেক্ষাপটত এনে আইনৰ প্ৰয়োজনীয়তা আছে বুলিহে ন্যায়ালয়ে স্পষ্ট কৰি দিছে। আইনখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে সন্মুখীন হোৱা সমস্যা হস্তক্ষেপ কৰাৰ ভিত্তি হ'ব নোৱাৰে বুলি উল্লেখ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে অল আছাম ইংলিছ মিডিয়াম স্কুল এছ'চিয়েচনৰ গোচৰটো খাৰিজ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা আইনখনত দৰিদ্ৰ শ্ৰেণীৰ মেধাৱী শিক্ষাৰ্থীৰ বাবে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত ৫ শতাংশ আসন সংৰক্ষণৰ উল্লেখ আছে। তদুপৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ মাচুলৰ গাঁথনি নিৰ্ধাৰণ কৰা বিষয়টোও এই আইনখনে সামৰি লৈছে। কিন্তু এনে দিশসমূহ চৰকাৰৰ আওঁতালৈ আহিব নালাগে বুলি উল্লেখ কৰি অল আছাম ইংলিছ মিডিয়াম স্কুল এছ'চিয়েচনে ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কাজিৰঙাত উপস্থিত হোৱা ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন খেলুৱৈ অনিল কুম্বলেই কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চল ভ্ৰমণ কৰে। ইয়াৰ পাছত তেওঁ বাগৰি বনাঞ্চল ভ্ৰমণ কৰি কাজিৰঙাৰ সংৰক্ষণ ব্যৱস্থাক প্ৰশংসা কৰে। হাতত কেমেৰা লৈ প্ৰাক্তন খেলুৱৈগৰাকী চৰাই আৰু অন্যান্য জীৱ-জন্তুৰ ফটো লৈ উৎফুল্লিত হৈ পৰে। আনহাতে গুৱাহাটীত হ'বলগীয়া টেষ্ট মেচ সন্দৰ্ভত মন্তব্য কৰি তেওঁ ভাৰতীয় দলে ছন্দ ঘূৰাই পাব বুলি কয়। অসমত প্ৰতিভাৰ অভাৱ নাই বুলি উল্লেখ কৰি শ্ৰীকুম্বলেই সকলোকে কাজিৰঙাৰ

সৌন্দৰ্য উপভোগ কৰিবলৈ আহ্বান জনায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ পাছত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন খেলুৱৈগৰাকীয়ে এইদৰে কয়।

**বাইট (অনিল কুম্বলে)**

০০০০০০

তোলনীয়া শিশু সন্তানক নিৰ্যাতন চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা মনোৰোগ বিশেষজ্ঞ ডাঃ সংগীতা দত্তই জামিন লাভ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি চিকিৎসকগৰাকীক ১ লাখ টকাৰ জামিন বণ্ডৰ বিপৰীতে জামিন প্ৰদান কৰে। অৱশ্যে ন্যায়ালয়ে তেওঁক জামিন প্ৰদানৰ ক্ষেত্ৰত কেতবোৰ চৰ্ত আৰোপ কৰে। বিশেষকৈ বিচাৰ প্ৰক্ৰিয়াত সহযোগ কৰা আৰু স্বাধীনতাৰ অপ-ব্যৱহাৰ নকৰিবলৈ আদালতে তেওঁক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০২৩ চনৰ ৬ মে'ত ডাঃ সংগীতা দত্ত আৰু তেওঁৰ স্বামী ডাঃ ৱালিউল ইছলাম শিশু সন্তান দুটিক শাৰীৰিক, মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হৈছিল। ডাঃ ইছলামে ২০ দিন পূৰ্বে জামিনত মুক্তি লাভ কৰিছিল। কালি গুৱাহাটী উচ্চ ন্যায়ালয়ে সংগীতা দত্তৰ জামিন মঞ্জুৰ কৰে।

০০০০০০

নলবাৰী জিলা প্ৰশাসনৰ উদ্যোগত আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগ তথা নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰৰ সহযোগত কালি সামূহিক বিবাহ সম্পন্ন হয়। এই বিবাহ অনুষ্ঠানত জিলাখনৰ বিভিন্ন স্থানৰ পৰা অহা ৯ যোৰা দৰা-কইনাৰ শুভ পৰিণয় সম্পন্ন হয়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে যোৱা তিনি বছৰ ধৰি চলি অহা এই সামুহিক বিবাহৰ জৰিয়তে সামাজিক কু-সংস্কাৰ, যৌতুক প্ৰথা ৰোধ কৰাৰ লগতে কম খৰচত বিবাহ কাৰ্য সম্পন্ন কৰি পৰিয়ালক সকাহ দিয়াৰ ব্যৱস্থা কৰা হয়।

০০০০০০

নাগালেণ্ডৰ ক'হিমাৰ কিচামা গাঁৱত ১ৰ পৰা ১০ ডিচেম্বৰলৈ হৰ্নবিল মহোৎসৱ অনুষ্ঠিত হ'ব। নাগালেণ্ড চৰকাৰে এই মহোৎসৱৰ বাবে অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ব্ৰিটেইনৰ নাম ঘোষণা কৰিছে। এই সন্দৰ্ভত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু ভাৰতৰ ব্ৰিটিছ কাউন্সিলৰ সঞ্চালক এলিচন বাৰেটৰ মাজত কালি এখন চুক্তি সম্পাদন হয়। চুক্তি সম্পাদনৰ সময়ত নতুন দিল্লীত ভাৰতৰ ব্ৰিটিছ উচ্চায়ুক্ত লিণ্ডী কেমেৰ'ন আৰু দুয়োপক্ষৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

০০০০০০

ভাৰতৰ এ-দলটোৱে চলিত বৰ্ষৰ ৰাইজিং ষ্টাৰ্ছ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে কালি গ্ৰুপ-বিৰ নিজৰ অন্তিমখন খেলত ওমানক ৬ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। কাটাৰৰ ডোহাৰ ৱেষ্ট এণ্ড পাৰ্ক আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ওমানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৩৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৭ অভাৰ আৰু ৫টা বলত ৪টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। এই জয়ৰ ফলত ভাৰত গ্ৰুপ বি-ৰ দ্বিতীয় স্থানলৈ উন্নীত হয়। প্ৰতিযোগিতাখনৰ নিয়ম অনুসৰি এ আৰু বি উভয় গ্ৰুপৰে প্ৰথম আৰু দ্বিতীয় দল দুয়োটাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ বিৰুদ্ধে অহা শুকুৰবাৰে ছেমি ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া দলটো কাইলৈ গ্ৰুপ-এৰ এখন খেলৰ জৰিয়তে নিৰ্ধাৰিত হ'ব।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিনটো কালি ৰাজ্যৰ সকলো প্ৰান্ততে ভিন ভিন কাৰ্যসূচীৰে পালন কৰাৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'ঈশ্বৰ পুত্ৰৰ স্মৃতি সুঁৱৰি আবেগিক অসমীয়া, জুবিন ক্ষেত্ৰত ৫ হাজাৰ চাকি, ৫০০ টা আকাশবন্তি প্ৰজ্বলন অনুৰাগীৰ, ২৫ সহস্ৰাধিকে অসমীয়া-বড়ো ভাষাত গালে মায়াবিনী, ৰাজ্যজুৰি ৰক্তদান শিবিৰ বিজেপিৰ, অগপৰ জাতীয় স্বাভিমান দিৱস পালন' আদি শিৰোনামেৰে কাকতসমূহে এই বাতৰি প্ৰকাশ কৰিছে। অহা ২২ নৱেম্বৰৰ পৰা উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব টেষ্ট মেচ – ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত হ'বলগীয়া এই মেচৰ বাবে বৰ্ষাপাৰা ষ্টেডিয়াম সাজু কৰি তোলাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্য চৰকাৰৰ এটা নিৰ্দেশনাৰ জৰিয়তে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াক শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে। 'ফেব্ৰুৱাৰীৰ শেষত ৰাজ্যত ঘোষণা হ'ব বিধানসভা নিৰ্বাচনৰ দিন' – এই শিৰোনামেৰে অসম বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰস্তুতি আৰম্ভ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত জড়িত ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে গোচৰ চলাবলৈ কেন্দ্ৰই অনুমোদন দিয়াৰ বাতৰিটো **দি আছাম ট্ৰিবিউন, অসমীয়া খবৰ, দৈনিক জনমভূমি** আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'ভাৰতবৰ্ষৰ প্ৰতি প্ৰেম, শ্ৰদ্ধা প্ৰদৰ্শন কৰা সকলো ব্যক্তিয়েই হিন্দু'– ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতে কালি গুৱাহাটীত এইদৰে মন্তব্য কৰাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** আৰু **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আঘাত সত্বেও গুৱাহাটীত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত খেলাৰ মন টীম ইণ্ডিয়াৰ অধিনায়ক শুভমন গীলৰ – বাতৰিটো **আমাৰ অসম** কাকতৰ।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম, অৰুণাচল, অসম, মেঘালয় আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত